**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 12-01-2026**
**Time : 21-25 Hrs.**

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা চমুকৈ এ ডি আৰ ইত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীৰ মাজত আজি নিযুক্তি পত্ৰ বিতৰণ কৰে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এ ডি আৰ ইৰ জৰিয়তে ৰাজ্য চৰকাৰে নিযুক্তি প্ৰক্ৰিয়াত স্বচ্ছতা আনিবলৈ সমৰ্থ হৈছে। চাহ জনগোষ্ঠীৰ যুৱক-যুৱতীসকলক পৃথককৈ নিযুক্তি পত্ৰ প্ৰদানৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয়, যে একেলগে নিযুক্তি দিলে চাহ জনগোষ্ঠীৰ যুৱক-যুৱতীসকলৰ মাজত নিযুক্তিক লৈ বিশেষ চৰ্চা নাথাকিব। পৃথককৈ নিযুক্তিৰ ব্যৱস্থা কৰাৰ বাবে চাহ জনগোষ্ঠীৰ শিক্ষিত যুৱক-যুৱতীসকলৰ মাজত সজাগতা বৃদ্ধি হ'ব। ৰাজ্য চৰকাৰৰ এ ডি আৰ ই ব্যৱস্থা দেশৰ অন্যান্য ৰাজ্যই অনুসৰণ কৰিছে বুলি তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে।

**বাইট (চি এম)**

০০০০০

সমাগত বিধানসভা নিৰ্বাচন ৰ বাবে শাসনাধিষ্ঠ বিজেপি দলে ব্যাপক তৎপৰতা আৰম্ভ কৰিছে। আজি সন্ধিয়া ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত জিলা প্ৰভাৰী আৰু জিলা সহ প্ৰভাৰী ৰ সৈতে ৰাজ্যিক নেতৃত্বৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই জিলা প্ৰভাৰী আৰু সহ প্ৰভাৰী সকলৰ সৈতে মত বিনিময় কৰে। মত বিনিময়ৰ সময়ছোৱাত মুখ্যমন্ত্ৰীগৰাকীয়ে দলৰ নেতাকৰ্মীসকলক সৰ্বসাধাৰণ লোকৰ সৈতে সংযোগ স্থাপনৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিবলৈ আহ্বান জনায়। জিলা প্ৰভাৰী আৰু সহপ্ৰভাৰীসকলৰ সৈতে মত বিনিময়ৰ পিছতে মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপিৰ কৰ্ণধাৰ সমিতিৰ বৈঠকত অংশগ্ৰহণ কৰে।

০০০০০

কাইলৈ মাঘ বিহুৰ উৰুকা। ৰাজ্যৰ বিভিন্ন প্ৰান্তত উৰুকাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বজাৰসমূহ বিহুৰ বিভিন্ন সামগ্ৰীৰে ভৰি পৰিছে। অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুৰ বাবে ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া মেজি আৰু ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলা অনুষ্ঠিত হৈছে। চুবুৰীয়া মেঘালয়ৰ শ্যাম নগৰত ৰাইজে নৰা আৰু বাঁহেৰে এটি দুমহলীয়া ভেলাঘৰ সাজি উলিয়াইছে। শ্যামনগৰত বসবাস কৰা ৫ শতাধিক ৰাভা পৰিয়ালে প্ৰায় ১০ বছৰ ধৰি বিহু উদযাপন কৰি আহিছে। গ্ৰামাঞ্চলসমূহত জীয়ৰী-বোৱাৰীয়ে ভোগালীত অতিথি আপ্যায়নৰ বাবে পিঠা-পনা, জা-জলপান প্ৰস্তুত কৰিছে।

০০০০০

মৰিগাঁও জিলাৰ জা গীৰোডৰ জোন বিলৰ পাৰত অহা ২২ জানুৱাৰীৰ পৰা অনুষ্ঠিত হ'বলগীয়া জোনবিল মেলা সুচাৰুৰূপে অনুষ্ঠিত কৰিবৰ বাবে আজি মৰিগাঁও জিলা প্ৰশাসন , আৰক্ষী প্ৰশাসন আৰু আয়োজকসকলৰ মাজত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত অনামিকা তেৱাৰীৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকখনত জোনবিল মেলা সু শৃংখলিতভাৱে অনুষ্ঠিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। মেলাৰ সময়ছোৱাত যান বাহনৰ পাৰ্কিঙৰ ক্ষেত্ৰত নিৰ্দিষ্ট সময়ৰ বাবে নিৰ্দিষ্ট মাচুল নিৰ্ধাৰণ কৰা আৰু পা ৰ্কিং মাচুলৰ সবিশেষ ৰাইজে দেখাকৈ প্ৰদৰ্শন কৰি থ'বলৈ আয়োজকসকলক আয়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে। তদুপৰি আৰক্ষীৰ নিয়ন্ত্ৰণ কক্ষত চি চি কেমেৰাৰ ব্যৱস্থা কৰা , গুৰুত্বপূৰ্ণ ফোন নম্বৰসমূহ উপযুক্তভাৱে প্ৰদৰ্শনৰ ব্যৱস্থা কৰা আৰু চিকিৎসা শিবিৰ স্থাপন কৰাৰ ক্ষেত্ৰতো বৈঠকত গুৰুত্ব আৰোপ কৰা হয়। জোনবিন মেলাত ড্ৰাগছৰ দৰে নিচাজাতীয় সামগ্ৰী যাতে কোনেও সেৱন কৰিব নোৱাৰে তাৰ ওপৰত বিশেষ ভাৱে চকু ৰাখিবলৈ জ্যেষ্ঠ আৰক্ষী অধীক্ষক প্ৰকাশ সোণোৱালক আয়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে। আজিৰ সভাত জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী , অতিৰিক্ত জিলা আয়ুক্ত ৰাকেশ ডেকা , অতিৰিক্ত আৰক্ষী অধীক্ষক ধ্ৰুৱ নাথ , জাগীৰোডৰ সম জিলা আয়ুক্ত হৃদয় কুমাৰ দাসকে ধৰি জিলা প্ৰশাসনৰ কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০০

চৰাইদেউ জিলাৰ সোণাৰী আঞ্চলিক পঞ্চায়তে সমাজৰ আৰ্থিকভাৱে পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধা হোৱাকৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। পঞ্চায়তৰ প্ৰতিনিধিসকলে ছাত্ৰ -ছাত্ৰীসকলক আৰ্থিক সাহাৰ্য প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সোণাৰী আঞ্চলিক পঞ্চায়তৰ নিজস্ব পুঁজিৰ জৰিয়তে আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হ 'বলগীয়া যোগ্য ছাত্ৰ-ছাত্ৰীসকলক এককালীন আৰ্থিক সাহায্য প্ৰদান কৰা হ 'ব। তদুপৰি সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ লোকসকলৰ সহায়ক হোৱাকৈ সোণাৰী খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় আৰু সোণাৰী আঞ্চলিক পঞ্চায়তৰ কাৰ্যালয় চৌহদত এটি কাপোৰৰ বেংকৰ শুভাৰম্ভ কৰা হয়।

০০০০০

ঃঃ সমাপ্ত ঃঃ